# ডক্টৰেট ডিগ্ৰী লাভ কৰা মহাবিদ্যালয়ৰ অধ্যাপকবৃন্দ



**ড° আলোক দাস**

বিভাগ ঃ গণিত

গৱেষণাৰ বিষয় ঃ Some flow problems in non-Newtonian fluids

**ড° তপন ডেকা**

বিভাগ ঃ প্ৰাণী বিজ্ঞান

গৱেষণাৰ বিষয় ঃ



**ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া**

বিভাগ ঃ অসমীয়া

গৱেষণাৰ বিষয় ঃ সুকবি নাৰায়ণদেৱৰ পদ্মা-পুৰাণঃ এক সামাজিক-সাংস্কৃতিক অধ্যয়ন ।

**ড° ৰথীন বৰ্মন**

বিভাগ ঃ প্ৰাণী বিজ্ঞান

# উপ-সভাপতিৰ প্ৰতিবেদন



একবিংশ শতিকাৰ জীৱ শ্ৰেষ্ঠ মানৱ বুলি আমি নিজকে গৌৰৱ অনুভৱ কৰোঁ । কিন্তু আমি জানো সঁচাকৈয়ে জীৱ শ্ৰেষ্ঠ ? আমি যদি শ্ৰেষ্ঠ তেন্তে আমাৰ চাৰিওফালৰ হাহাকাৰবোৰ আমি কিয় শুনিবলৈ পাওঁ ? শ্ৰেষ্ঠ জীৱ বাস কৰা এই ধুনীয়া পৃথিৱীখনত ইমানবোৰ হত্যা, লুণ্ঠন, মাৰপিত, অপহৰণ আদি লোমহৰ্ষক ঘটনাবোৰ ঘটে কিয় ? এয়াই নেকি জীৱ শ্ৰেষ্ঠ মানৱৰ শ্ৰেষ্ঠতাৰ পৰিচয় ? সেই যাত্ৰীৰে ভৰি পৰা বাছ বা ৰেলখনত বোমা ভৰাই নিজৰে মা-দেউতা, বাই-ভনী, ভাই-ককাই স্বৰূপ মানুহবোৰক নিৰ্মমভাৱে হত্যা কৰা উগ্ৰপন্থীজন কোন বাৰু ? মানুহ, ৰাক্ষস নে পশু ? তেও পশু কেতিয়াও হ'ব নোৱাৰে, কাৰণ — পশুক প্ৰকৃতিয়ে এনেদৰে সৃষ্টি কৰিছে যে সিহঁতে স্বজাতিক কেতিয়াও হত্যা নকৰে। তদুপৰি পশুৱে পশুক হত্যা কৰে ক্ষুধা নিবাৰণ আৰু আত্ম ৰক্ষাৰ বাবে । গতিকে মানুহক নিৰ্মম ভাৱে হত্যা কৰিব পৰা এই তথা কথিত উগ্ৰপন্থীজন নিশ্চয় মানুহেই হ'ব । একমাত্ৰ মানুহেই আবিৰ্ভাৱৰ দিনৰ পৰাই অবিৰতভাৱে নিজৰ জাতি ভাই মানুহক হত্যা কৰি আহিছে। মানুহৰ মাজত এনে কি ভয়ংকৰ প্ৰবৃত্তি লুকাই আছে যাৰ তাড়নাত মানুহে যুগ যুগ ধৰি হত্যাৰ উন্মাদনাত উন্মত্ত হৈ আছে । এই উন্মাদনাৰ অৱসান কেতিয়াবা হ'বনে ?

জৰ্জ বাৰ্ণাড শ্ব'ই কৈছিল, "মই গুৰি পৰুৱা এটাকো হত্যা কৰিব নোৱাৰোঁ । বিৱৰ্তনৰ ৰহস্যময় প্ৰক্ৰিয়াত গুৰি পৰুৱাৰো নিশ্চয় কিবা এটা ভূমিকা আছে । গতিকে গুৰি পৰুৱাটোক হত্যা কৰিলে সেই বিৱৰ্তনৰ প্ৰক্ৰিয়া বিঘ্নিত কৰা হ'ব ।" কিন্তু বৰ্তমানৰ পৰিস্থিতিত এই তত্ত্বগধুৰ উক্তিবোৰৰ কোনো মূল্য নোহোৱা হৈছে ।

ৰাতিপুৱা বাতৰি কাকতখন পঢ়িবলৈ ভয় লাগে । সেইখন যেন বাতৰি কাকত নহৈ মানুহৰ সভ্যতা সংস্কৃতিৰ ধ্বংসৰ আগজাননীহে। এইবোৰ পঢ়ি দিনটো আৰম্ভ হয় হতাশা আৰু আতংকৰ অনুভূতিৰে । বাতৰি কাকতখন পঢ়ি সমাজখনৰ কথা কল্পনা কৰিলে ভাৱ হয় তাত যেন কিছুমান দয়া-মায়াহীন হত্যাকাৰীৰ ৰাজত্ব চলিছে আৰু বাকীবোৰ মানুহে ভয়ত পেপুৱা লাগি আঁঠু কাঢ়ি বহি আছে । মানুহৰ লোভ, হিংস্ৰতা যিমানেই বাঢ়িছে সিমানেই দ্ৰুত গতিত হ্ৰাস পাই আহিছে দয়া-মায়া, মৰম-স্নেহ, সেৱা-শুশ্ৰূষা, কৰুণা আদি কোমল অনুভূতিবোৰৰ ।

হিংসা, সন্ত্ৰাস, গোষ্ঠীগত সংঘৰ্ষৰ দৰে প্ৰাকৃতিক দুৰ্যোগ বানপানী, খৰাং আদিয়েও সমাজখনত এক অচিনাকী বিষ বাষ্পৰে ভৰাই পেলাইছে । প্ৰদূষণ, জনসংখ্যা বৃদ্ধি, নিবনুৱা সমস্যা আদিয়ে মানুহৰ সামাজিক ক্ষেত্ৰত অস্বাভাৱিক অৱস্থাৰ সৃষ্টি কৰিছে । আজি সকলোৱে এক অস্বাভাৱিক পথেৰে গতি কৰিছে । আজি এনেকুৱা শক্তিয়ে গা কৰি উঠিছে যে মানুহে নিজৰ চিনাকী নিজেই হেৰুৱাইছে। মানুহ সমাজ প্ৰিয় প্ৰাণী । কিন্তু সামাজিকভাৱে জীয়াই থাকিবলৈ সমাজে আমাক মানসিকভাৱে সুস্থ-সবল, সুজ্ঞানী, নিস্বাৰ্থবান, সৰ্ব্বাংগ সুন্দৰ জীৱন গঢ়িবলৈ প্ৰেৰণা দিবনে ? আমি তেনেকুৱা এখন সমাজৰ কল্পনা কৰিব পাৰো নে য'ত মানুহে মানুহৰ পৰিচয় সৎকৰ্ম, সুজ্ঞান, সম্পূৰ্ণ মানবীয় দৃষ্টিভংগী আৰু আনুসংগিক পৰিৱেশৰ দ্বাৰা দিব পাৰিব ? বৈজ্ঞানিক দৃষ্টিভংগীৰে সকলো বিষয় বিশ্লেষণ কৰি স্বকীয় আদৰ কায়দা, নীতি নিয়ম, অন্ধবিশ্বাস, ধৰ্মবিশ্বাস আদিবোৰ এৰা ধৰাৰ মাজেৰে আগবাঢ়িব লাগিব । আজি সমাজ এখন বা দেশ এখন উন্নতিৰ জখলাৰে আগুৱাই যোৱাটো সম্ভৱ হৈ উঠিব যদিহে উচিত শিক্ষা গ্ৰহণ কৰি, সুপৰিকল্পিতভাৱে কৰ্ম আঁচনি তৈয়াৰ কৰি তাৰ যথোচিত ব্যৱহাৰ কৰা হয় । শিক্ষা হ'ল জীৱনৰ আন্ধাৰৰ পোহৰৰ উৎস বিচৰাৰ পদ্ধতি। শিক্ষাই মানুহক আন্ধাৰৰ মাজত পোহৰ আৱিষ্কাৰ কৰাত অৰিহণা যোগায় আৰু আন্ধাৰৰ মাজত আন্ধাৰ বিচৰাতো সহায় কৰে । কিন্তু আন্ধাৰৰ পৰা পোহৰৰ উৎস আৱিষ্কাৰ কৰাতহে শিক্ষাৰ সাৰ্থকতা আছে । শিক্ষা আৰু শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত ছাত্ৰ-ছাত্ৰীসকলে প্ৰধান ভূমিকা ল'ব লাগিব, ছাত্ৰ-ছাত্ৰীসকলে নিজৰ শিক্ষানুষ্ঠানত শৈক্ষিক পৰিৱেশ উপযুক্ত ভাৱে গঢ়ি তুলিব লাগিব ।

আজিৰ সমাজ এক বস্তুবাদী চিন্তাধাৰাৰে আগবাঢ়িছে, ভোগবাদে মানুহৰ মনৰ বিশালতা সংকুচিত কৰি পেলাইছে । যাৰ বাবে মানুহে নিজৰ বাহিৰে আন সকলো বস্তুভোগৰ সামগ্ৰী হিচাবে ব্যৱহাৰ কৰিছে । সেয়েহে ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যত সমাজৰ উত্তৰাধিকাৰী হিচাপে, নিজকে দেশৰ সু-নাগৰিক হিচাপে এখন সংস্কৃতিবান সমাজ গঢ়াৰ দৃঢ় সংকল্প লোৱা উচিত ।

যোৱা ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ পদত থকাৰ সময়তে সন্মানীয় চাৰহঁতৰ লগত আলোচনা কৰি মহাবিদ্যালয়ত নতুনকৈ উপ-সভাপতিৰ পদটো সন্নিবিষ্ট কৰিছিলোঁ । বিভিন্ন তিক্ততা, ঘাত-প্ৰতিঘাত, মৃত্যুৰ ভাবুকি নেওচি সাংস্কৃতিক সম্পাদকৰ কালছোৱা পাৰ কৰি দ্বিতীয় বাৰৰ বাবে নিৰ্বাচন খেলাৰ কোনো পৰিকল্পনা মনত নাছিল। কিন্তু মোৰ শুভাকাংক্ষী বন্ধু-বান্ধৱী সকলৰ অনুৰোধত পুনৰ মই দ্বিতীয় বাৰৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰোঁ। তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিলো মই মহাবিদ্যালয়ৰ প্ৰথমজন উপ-সভাপতিৰ পদত । মহাবিদ্যালয়ৰ প্ৰথম উপসভাপতিৰ ৰূপত নিজকে উপবিষ্ট কৰি নিজকে ধন্য মানিছোঁ । এই ছেগতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক নিৰ্বাচিত কৰি দ্বিতীয়বাৰৰ বাবে মহাবিদ্যালয়খনক সেৱা কৰাৰ সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ । প্ৰথম কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি সন্মুখীন হওঁ মহাবিদ্যালয় সপ্তাহৰ । অইন বছৰৰ দৰে এই বেলিও অতি উলহ-মালহৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। বিভিন্ন খেল-ধেমালি, সাংস্কৃতিক প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰীৰ অভূত পূৰ্ব সহযোগিতাই আমাক কেৱল আনন্দই নহয়, কামবোৰ সুচাৰুৰূপে পৰিচালনা কৰাত বহুতো প্ৰেৰণা যোগাইছিল । মোৰ ফালৰ পৰা এক বিশেষ আকৰ্ষণ হিচাবে আয়োজন কৰিছিলোঁ — শিক্ষক আৰু ছাত্ৰ সকলৰ মাজত প্ৰীতি ক্ৰিকেট খেলৰ। খেল খনত মোৰ শ্ৰদ্ধাৰ চাৰসকলে বহুত উৎসাহ তথা আন্তৰিকতাৰে অংশ গ্ৰহণ কৰিছিল । খেল খনত জয় লাভ কৰিছিল ছাত্ৰ সকলে। কিন্তু এই জয় লাভে ছাত্ৰসকলক যিখিনি আনন্দ দিছিল তাতকৈ বহুবেছি আনন্দ দিছিল শ্ৰদ্ধাৰ চাৰহঁতৰ বন্ধুসুলভ ভাৱেৰে আমাৰ স'তে সহযোগ কৰাৰ মানসিকতাক । সেই দিনাই উপলব্ধি কৰিছিলো শিক্ষক আৰু ছাত্ৰৰ মাজত থকা সম্পৰ্কৰ প্ৰকৃত মাধুৰ্য। খেলখনৰ অন্তত সীমিত পুজিৰে উলহ-মালহৰে আয়োজন কৰিছিলো প্ৰীতি ভোজনৰ ।

মহাবিদ্যালয় সপ্তাহৰ পিছতে আহে সৰস্বতী পূজা । মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকাসকলৰে মিলি অতি ধুম ধামেৰে উদ্‌যাপন কৰা হয় সৰস্বতী পূজাখন ।

মহাবিদ্যালয়ৰ এক বিশেষ আকৰ্ষণীয় উৎসৱ হ'ল নৱাগত আদৰণী সভা । এইবাৰ নৱাগত আদৰণী সভাখন সীমিত পুঁজিৰে পতা হৈছিল যদিও অইন বছৰতকৈ কিছু ব্যতিক্ৰম হৈছিল । প্ৰাকৃতিক দুৰ্যোগক নেওচি ছাত্ৰ-ছাত্ৰী তথা শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকাসকলৰ উপস্থিতিয়ে আমাক অতি উৎসাহিত কৰিছিল । প্ৰীতি সন্মিলনত মোৰ শ্ৰদ্ধাৰ তপন দত্ত চাৰ, হবিবৰ ৰহমান চাৰ আৰু বীৰেন্দ্ৰ বৰ্মন চাৰে যি মিঠা ৰসেৰে ছাত্ৰ-ছাত্ৰীসকলক আনন্দ দিছিল, সেইবোৰ স্মৃতিৰ পাতত সদায় জিলিকি থাকিব । তদুপৰি মোৰ শ্ৰদ্ধাৰ ৰুমিতা ফুকন বাইদেউৰ বিহু নৃত্যৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰ বিভিন্ন নৃত্য-গীতসমূহে সভাখন সোণত সুৱগা চৰাৰ দৰে অতি মনোমহা কৰি তুলিছিল ।

## মহাবিদ্যালয়ৰ উন্নতি ঃ

কোনো এটা বস্তুৰ উন্নতিৰ মূলতে হ'ল ভেটি । ভেটিটো যদি মজবুত নহয় তেনেহ'লে কোনো বস্তুৱে উন্নতি লাভ কৰিব নোৱাৰে । গছ এজোপা বাঢ়িবলৈ হ'লে তাৰ গুৰিটো মজবুত হ'ব লাগে । গছ জোপাৰ গুৰিটোৰ প্ৰতি যদি আমি উদাসীন হওঁ তেনেহ'লে গছ জোপা বাঢ়িবলৈ সুবিধা নাপাব । গছজোপাৰ গুৰিত সাৰ পানী দিলেহে গছ জোপা লহপহকৈ বাঢ়ি আহিব, তাৰ অন্যথাই যদি আমি পাতত সাৰ পানী দিবলৈ যাওঁ, তেনেহ'লে গছ জোপা মৃত্যুৰ মুখত পৰিবলৈ বেছি দিন নালাগিব আৰু মৰা গছৰ মূৰা এটাৰ প্ৰতি মানুহৰ আস্থা নাইকীয়া হৈ যাব । তেনেদৰে কোনো এখন অনুষ্ঠানৰ উন্নতিৰ মূলতে মূৰব্বী জন।

কিন্তু আমাৰ শ্ৰদ্ধাৰ চাৰসকলে শ্ৰেণী কোঠাত ডাষ্টাৰৰ সলনি ছাত্ৰী জীৰণি কোঠাৰ দুৱাৰত লগোৱা ফটা পৰ্দা ব্যৱহাৰ কৰিবলগীয়া হোৱাটো এটা সঁচাকৈয়ে দুখ লগা বিষয় । ছাত্ৰ-ছাত্ৰীৰ বিকাশত যিকোনো কাম কৰিবলৈ গ'লে অধ্যক্ষৰ লগত তৰ্ক যুদ্ধত অৱতীৰ্ণ হ'ব লগাত পৰে । বিজ্ঞান শাখাৰ Laboratoryত আজি ঘূণে ধৰিছে, তাৰ প্ৰতি কোনো ভ্ৰুক্ষেপ নাই । এইবোৰৰ বাবে কোনো অভিযোগ কৰিলে অধ্যক্ষই কিছুমান তুলুঙা যুক্তিৰে গা এৰা দি আহিছে । গতিকে এনে এটা পৰিস্থিতিত মহাবিদ্যালয়খনৰ উন্নতি বা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ কথা চিন্তা কৰিবলগীয়া । অৱশ্যে মহবিদ্যালয়ৰ উন্নতিৰ বাবে আপ্ৰাণ চেষ্টা চলাই অহা মোৰ শ্ৰদ্ধাৰ চাৰ-বাইদেউসকলৰ কথা এই ক্ষেত্ৰত সলাগিবলগীয়া ।

কোনো এখন অনুষ্ঠানৰ মুৰব্বীজনৰ যদি আন আন বিষয়া সকলৰ লগত সু-সম্পৰ্ক নাথাকে, কোনো কামত আলোচনা বিলোচনা নাথাকে, তেনেহ'লে সেই অনুষ্ঠানটোত খেলি-মেলিৰ সৃষ্টি হয় আৰু যদি এইবোৰৰ মাজত এটা সু-সম্পৰ্ক থাকে তেনেহ'লে অনুষ্ঠানটোৱে উন্নতিৰ চৰম শিখৰত উপনীত হ'ব পাৰে । গতিকে আমাৰ মহাবিদ্যালয়খনতো এনে এক সু-সম্পৰ্কৰ সৃষ্টি কৰি সকলোৰে গঠনমূলক পৰামৰ্শ গ্ৰহণ কৰি অতি মৰমৰ, অতি আদৰৰ আমাৰ এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনক উন্নতিৰ পথত আগবঢ়াই নিব বুলি আশা কৰিলোঁ ।

## যুৱ মহোৎসৱত অংশ গ্ৰহণ ঃ

সাংস্কৃতিক সম্পাদকৰ পদত থাকোঁতেই প্ৰস্তুতি চলাইছিলো যুৱ মহোৎসৱত যোগ দিবৰ বাবে । কিন্তু আমাৰ মহাবিদ্যালয়খনে কেইবা বছৰৰো মাচুল আদায় নিদিয়াৰ বাবে আমি উভতি আহিব লগাত পৰোঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা । সেই দিনা দুখ-বেদনা, হতাশাই আগুৰি ধৰিছিল মনত । কিন্তু যেতিয়া পুনৰ উপ সভাপতি নিৰ্বাচিত হওঁ, তেতিয়াই দৃঢ় সংকল্প লওঁ এইবাৰ যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰিমেই । কিন্তু এইবাৰো যুৱ মহোৎসৱৰ সময়ত আমি এক

প্ৰত্যাহবানৰ সন্মুখীন হ'লো । সেয়া হ'ল টকাৰ অভাৱ । এই প্ৰত্যাহবান নেওচি আমাক আমাৰ লক্ষ্যত উপনীত হ'বলৈ সহায় কৰে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু নবীন মুদিয়াৰ চাৰ আৰু দ্বিজেন্দ্ৰ নাথ দাস চাৰে । দয়ালু চাৰহঁতৰ ওচৰত মই চিৰদিন কৃতজ্ঞ হৈ ৰম । ইয়াৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ত আমাৰ লগত ছাঁটোৰ দৰে লাগি থাকি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাত নানা ধৰণে সহায় কৰা মোৰ শ্ৰদ্ধাৰ তপন দত্ত চাৰৰ হাড় ভগা পৰিশ্ৰমৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ । শ্ৰদ্ধাৰ তপন দত্ত চাৰৰ এই কষ্টৰ কথা মই জীৱনৰ প্ৰতিটো ক্ষণতে সুঁৱৰি যাম । এই ক্ষেত্ৰত বন্ধু ৰণ্টু দাসৰ কষ্টৰ কথাও সলাগিবলগীয়া । এনেদৰে নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰাৰ কল্পনা বাস্তৱত পৰিণত হয় আৰু সম্পূৰ্ণ দহ -বাৰ বছৰৰ অন্তত লোকগীত আৰু বিষ্ণুৰাভা সংগীতত প্ৰথম পুৰস্কাৰ স্বৰূপে দুটাকৈ সোণৰ পদক অৰ্জন কৰি আমাৰ মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে মিচ্ বুলুমণি ৰাভাই । মিচ্ বুলুমণিলৈ আন্তৰিক কৃতজ্ঞতা যাছিলোঁ ।

### কৃতজ্ঞতা ঃ

মহাবিদ্যালয়ৰ কোনো কাম-কাজ চলাই নিয়াত কোনো সমস্যাৰ সৃষ্টি হ'লেই মোৰ শ্ৰদ্ধাৰ নবীন মুদিয়াৰ চাৰ আৰু দ্বিজেন্দ্ৰ নাথ দাস চাৰক আমনি কৰাটো আমাৰ স্বভাৱ আছিল । দয়ালু চাৰহঁতে যি কোনো সমস্যাকে গভীৰভাৱে চিন্তা কৰি আমাক গঠনমূলক পৰামৰ্শ আগবঢ়াইছিল । শ্ৰদ্ধাৰ চাৰহঁতলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।


মোৰ কাৰ্যকালত ছাত্ৰ বন্ধু সংগীত ৰাভা, ৰণ্টু দাস আৰু বাবুল মেধিৰ সহায়-সহযোগিতাৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ । তেওঁলোকৰ লগতে মোক বিভিন্ন কাম-কাজত সহায় কৰা অনিৰুদ্ধ, পূৰ্ণ, ৰঞ্জিত, লাচিত, কৃষ্ণ, হেমন্ত, ৰাজকুমাৰ, মণি, হেমাংগ, ধৰ্মেশ্বৰ, সুভাষ, ৰাতুল, ৰচিদ, নৃপেন, জাকিৰ, জগদীশ, মিঠু, উজ্জ্বলদা, গীতাঞ্জলি, জুনুকা, অনামিকা, ভাস্বতী, অনুপমা, ৰেজিনা আৰু বৰ্ণালীলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

সৰ্বশেষত মোৰ কাৰ্যকালত হোৱা অজ্ঞাত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু পুনৰবাৰ মহবিদ্যালয়ৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ যৱনিকা পেলালোঁ ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

ধন্যবাদেৰে —
শ্ৰীহিৰণ্য কুমাৰ নাথ
উপসভাপতি
ছাত্ৰ একতা সভা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো





# ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ অস্থিৰ অৱস্থাত তাকো শেষ সময়কণত ছাত্ৰ ছাত্ৰীক নেতৃত্ব দিয়া এক গুৰু দায়িত্ব । ২০০০-২০০১ ইং চনৰ নিৰ্বাচনত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক এজন নিৰ্বাচিত হৈছিল যদিও এক বিশেষ কাৰণত তেওঁক ছাত্ৰ একতা সভাৰ সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থনত বহিষ্কাৰ কৰাত ছাত্ৰ একতা সভাৰ এক অস্থিৰ অৱস্থা আহি পৰে । তাৰ ফলশ্ৰুতিত সহকাৰী সাধাৰণ সম্পাদক হিচাপে মুখ্য সম্পাদকৰ ভাৰ গ্ৰহণ কৰিবলৈ সুবিধাকণ পাওঁ ছাত্ৰ একতা সভাৰ সভাপতি তথা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° ৰমাকান্ত বৰুৱাদেৱৰ নিৰ্দেশত। এই ছেগতে মোক সম্মানীয় পদটিৰ দায়িত্ব দিয়া বাবে সভাপতি সমন্বিতে ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যা তথা তত্বাৱধায়ক তত্বাৱধায়িকাক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

মই এই মহৎ কাৰ্য ভাৰ গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয়ৰ ২০০১-২০০২ ইং বৰ্ষৰ "নৱাগত আদৰণী সভা"খন (২০ চেপ্তেম্বৰ/০১) অনুস্থিত কৰা হয় । এই নৱাগত আদৰণী সভাখনত সভাপতিত্ব কৰে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° ৰমাকান্ত বৰুৱা দেৱে । সভাৰ মুখ্য অতিথিৰ আসন অলংকৃত কৰে "বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত হৰেন্দ্ৰ নাথ বৰুৱাদেৱে। লগতে নিৰ্দিষ্ট বক্তা হিচাপে আমন্ত্ৰণ কৰা হয় ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ অৰুণ শৰ্মাদেৱক ।

আনহাতে মুকলি সভাত বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ কৰা হৈছিল ৪৮ নং বকো বিধান সভা সমষ্টিৰ বিধায়ক তথা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মাননীয় শ্ৰীযুত গোপীনাথ দাস দেৱক । তেওঁৰ বিশেষ অসুবিধা থকা কাৰণে সভাত উপস্থিত থাকিব নোৱাৰিলে। মুকলি সভাত নিমন্ত্ৰণ ৰক্ষা কৰা ব্যক্তিসকল হল মাননীয় শ্ৰীযুত ধনীৰাম কলিতাদেৱ (প্ৰধান শিক্ষক, বকো হাইস্কুল) শ্ৰীযুত জ্ঞান শঙ্কৰ খাখলাৰী দেৱ (প্ৰথম সম্পাদক, জৱাহৰজ্যোতি, প্ৰাচীৰ পত্ৰিকা উন্মোচন)। তেওঁলোকৰ বহুমূলীয়া ভাষণেৰে ছাত্ৰ ছাত্ৰীসকলক উৎসাহিত কৰাৰ বাবে তেওঁলোকলৈ আমাৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

যিবোৰ বন্ধু-বান্ধৱীয়ে বিপুল সমৰ্থন আগবঢ়াই জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এক গুৰু দায়িত্বৰ প্ৰতিবেদন লিখিবলৈ সুবিধা দিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

মোৰ এই খন্তেকীয়া কাৰ্যকালত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰমাকান্ত বৰুৱাদেৱ আৰু উপ সভাপতি মাননীয় শ্ৰীযুত দ্বিজেন্দ্ৰ নাথ দাসদেৱৰ পৰা পোৱা দিহা-পৰামৰ্শৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ । লগতে মহাবিদ্যালয়ৰ অধ্যাপক -অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

ৰূপালী জয়ন্তী অতিক্ৰম কৰি সোণালী জয়ন্তী উৎযাপনৰ পথত অগ্ৰসৰ হোৱা আমাৰ মহাবিদ্যালয়খনে এতিয়াও অভাৱ মুক্ত হ'ব পৰা নাই । আমি জানো অভাৱৰ শেষ নাই । কিন্তু আমি কিছু পৰিমাণে হ'লেও অভাৱবোৰ পূৰণ কৰিব লাগিব । কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণৰ কাৰণে কেইটামান অভাৱ দাঙি ধৰিলোঁ । সেইবোৰ হ'ল — (১) ছাত্ৰ জিৰণী কোঠা (২) ছাত্ৰী জিৰণী কোঠা (৩) ছাইকেল ষ্টেণ্ড (৪) শৌচাগাৰ ইত্যাদিৰ নিৰ্মাণ । আশা কৰোঁ কতৃপক্ষই এই অভাৱবোৰ মোচন কৰাৰ যত্নৰ ত্ৰুটি নকৰিব ।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় কৰা ব্যক্তি সকল হ'ল — দধি মোহন, প্ৰাণজিৎ, দীপক,ছাইফুল, নিবাৰণ, ছাহিদা, বিজয়, ৰাজীৱ, দ্বীপ, অনু, জিতু, বিশ্বজিৎ, প্ৰবীন। তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

সদৌ শেষত মই জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি অজানিতে হোৱা ভুলৰ ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ।

ইতি
শ্ৰীপৱিত্ৰ কুমাৰ দাস
ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো
২০০০-২০০১



# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ২০০০-২০০১ চনৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদকৰ পদত মোক নিৰ্বাচন কৰি মহান শিক্ষানুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

শিক্ষা হ'ল মানৱ জীৱনৰ প্ৰতিভা বিকাশৰ মূল উৎস । সেই কাৰণে বৰ্তমান সমাজত সুপ্ৰতিষ্ঠিত নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ বা ভৱিষ্যত জীৱনটো উজ্জ্বল কৰিবলৈ হ'লে কলেজীয়া জীৱনৰ সুযোগ-সুবিধাবোৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ভোগ কৰিবই লাগিব । ইয়াৰ বাবে নিজকে সাজু কৰিব লাগিব প্ৰতিযোগিতাৰ বাবে। বৰ্তমানৰ এই যুগটোৱেই হ'ল প্ৰতিযোগিতাৰ যুগ । তৰ্ক, কুইজ, আবৃত্তি, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতাৰ একো একোটা দৰকাৰী অংগ আৰু তাত অংশ গ্ৰহণ কৰাটো ছাত্ৰ-ছাত্ৰীসকলৰ অতিকৈ'ই আৱশ্যক । এইবোৰত অংশ গ্ৰহণৰ দ্বাৰা পাঠ্য-পুথিৰ উপৰিও বহুতো বাহিৰা জ্ঞান লাভ কৰিব পাৰি । গতিকে ছাত্ৰ-ছাত্ৰীসকলে উক্ত বিষয়বোৰত যোগদানৰ যোগেদি যৎকিঞ্চিত হ'লেও নিজৰ বাহিৰা জ্ঞান বৃদ্ধি কৰাৰ লগতে বৌদ্ধিক বিকাশো সাধন কৰিবলৈ চেষ্টা কৰা উচিত । কিন্তু দুখৰ বিষয় যোৱা বছৰটোত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অনুপাতে উক্ত প্ৰতিযোগিতাবোৰত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা তেনেই ক'ম সংখ্যক আছিল । ইয়াৰ মূলতে হ'ল বৰ্তমান আমাৰ দেশৰ আসোৱাহপূৰ্ণ শিক্ষা পদ্ধতিয়ে তথা পাঠ্যক্ৰমৰ বিভিন্ন দিশত অংশ গ্ৰহণ কৰিবলৈ অসমৰ্থ কৰিছে। হেচোই ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দিশত অংশ গ্ৰহণ কৰিবলৈ অসমৰ্থ কৰিছে। কিন্তু আমি এনে শিক্ষাকে গ্ৰহণ কৰি আগুৱাই যাব লাগিব আৰু লগতে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি যাব লাগিব । মই এই প্ৰতিবেদনৰ যোগেদি আমাৰ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে অনুৰোধ জনাওঁ - অনাগত দিনৰ সম্পাদক বা সম্পাদিকা আৰু লগতে ছাত্ৰ-ছাত্ৰীসকলে যেন তৰ্ক, কুইজ, আবৃত্তি, আকস্মিক বক্তৃতা আদি বিষয়বোৰ অতি গুৰুত্ব সহকাৰে বিবেচনা কৰে আৰু এইবোৰত অংশ গ্ৰহণ কৰে ।

কাৰ্য ভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আমাৰ মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ" বৰ উলহ-মালহৰে অনুষ্ঠিত হয় । মহাবিদ্যালয় সপ্তাহত তৰ্ক, কুইজ, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি (হিন্দী, ইংৰাজী আৰু অসমীয়া), মুকলি বক্তৃতা আদিৰ প্ৰতিযোগিতা পতা হয় । তৰ্ক আৰু কুইজ প্ৰতিযোগিতাৰ বাহিৰে বাকী কেইটা প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল । প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰা সকলো প্ৰতিযোগীকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

তৰ্ক বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ছোৱাত অসমৰ বহু কেইখন মহাবিদ্যালয়ৰ পৰা আন্তঃমহাবিদ্যালয় তৰ্ক আৰু কুইজ প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে আমন্ত্ৰণী পত্ৰ পাইছিলো । কিন্তু কলেজৰ আৰ্থিক অৱস্থা আৰু প্ৰতিযোগীৰ অভাৱত আমি এই প্ৰতিযোগিতাবোৰত অংশ গ্ৰহণ কৰিব পৰা নাছিলো । তথাপি ছয়গাওঁ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা "দক্ষিণ কামৰূপ আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতা"ত আমাৰ মহাবিদ্যালয়ৰ পৰা যোগদান কৰা হয় । কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীকুলদ্বীপ বায়ন আৰু শ্ৰীদেৱজিৎ বৰাই যুটীয়াভাৱে প্ৰথম পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনে। এই প্ৰতিবেদনৰ যোগেদি মই তেওঁলোকক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ ।

মোৰ কাৰ্যকালত আলোচনা চক্ৰ আৰু অইন কোনো তেনেকুৱা বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰিব নোৱাৰাৰ বাবে মই দুঃখিত। আশা ৰাখিলোঁ পৰৱৰ্তী সম্পাদকসকলে এই বিষয়ত সচেতন হ'ব।

কাৰ্য পৰিচালনা কৰাত দিহা পৰামৰ্শ আদি দি উপকৃত কৰা কাৰণে তৰ্ক আৰু আলোচনা চক্ৰৰ তত্ত্বাৱধায়ক অধ্যাপক উমেশ চন্দ্ৰ কৰদেৱলৈ তথা মাননীয় শ্ৰীযুত দ্বিজেন দাস চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । ইয়াৰ উপৰিও ছাত্ৰ বন্ধু ছাইফুল, নিবাৰণ, প্ৰাণজিৎ, ধনঞ্জয়, দধীমোহন বশিষ্ঠ দালৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ ।

সদৌ শেষত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই আৰু মোৰ কাৰ্যকালত হোৱা অজানিত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"

ধন্যবাদেৰে

শ্ৰীজিতু ডেকা

সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে দেশ মাতৃৰ বেদীত প্ৰাণাহুতি দিয়া বীৰ-বীৰাঙ্গণা সকললৈ মোৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ ।

প্ৰতিবেদনৰ আৰম্ভণিতে ২০০০-২০০১ ইং চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোৰ ওপৰত আস্থা ৰাখি 'ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰূপে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'ছাত্ৰ জিৰণি কোঠা' বিভাগৰ সম্পাদক হিচাপে মই কাৰ্যভাৰ লোৱাৰ পিছৰ পৰাই মহাবিদ্যালয়ৰ ছাত্ৰৰ কমন ৰূমৰ খেল সামগ্ৰীসমূহৰ অভাৱ অভিযোগসমূহ দূৰ কৰাৰ কাৰণে যথা সাধ্য চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। অৱশ্যে এই ক্ষেত্ৰত কিমান দূৰ সফল হলোঁ সেইটো বিচাৰৰ ভাৰ ছাত্ৰ বন্ধুসকলৰ ওচৰত ।

মই কাৰ্য ভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছুতেই মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয় । 'ছাত্ৰ জিৰণি কোঠা'ৰ ফালৰ পৰা কেৰম, বেডমিন্টন আদিৰ প্ৰতিযোগিতা পতা হয় । খেল সমূহ সু-সম্পন্নকৈ চলাই নিয়াত মোক সহায় কৰা সাঙ্গীতদা, হৃদয়প্ৰতীয়দা, চৈতন্যদা, একালব্যদা, চাইফুলদা, লোকপ্ৰিয়দা, পঙ্কজদা, ছোমনদা, লগতে বিজয়, জয়ন্ত, উমেশ, বংশীধৰ, বিচিত্ৰ, সদা— বান্ধৱী চন্দনা, ৰুনীয়া, মাকন, মীনা কুমাৰী লৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

খেল-ধেমালি হ'ল শিক্ষাৰ এক অবিচ্ছেদ্য অংগ । বৰ্তমান বিশ্বৰ বিভিন্ন দেশৰ দৰে আমাৰ দেশতো খেলা-ধুলাত উৎকৰ্ষ সাধনৰ বাবে চৰকাৰে নানা ব্যৱস্থা হাতত লৈছে আৰু খেলুৱৈ সকলৰ উন্নতি তথা দেশৰ সু-নামৰ কাৰণে চৰকাৰে প্ৰতি বছৰে কোটি কোটি টকা ব্যয় কৰি আহিছে । স্কুল আৰু মহাবিদ্যালয়বোৰৰ মাধ্যমেৰেও খেলা-ধূলাৰ প্ৰতি আকৰ্ষণ গঢ়ি তুলিব পাৰি আৰু এচাম উৎকৃষ্ট খেলুৱৈ গঢ়ি তুলিব পাৰি । তাৰ বাবে চৰকাৰেও অৰ্থৰ বৃহৎ পুঁজি স্কুল আৰু মহাবিদ্যালয়সমূহলৈ আগবঢ়াব লাগিব ।.চৰকাৰী সাহায্য অবিহনে ছাত্ৰ - ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুলেৰে খেলৰ সামগ্ৰী কিনি খেলৰ অনুশীলন কৰাই ছাত্ৰ-ছাত্ৰীসকলক স্কুল বা মহাবিদ্যালয় কৰ্তৃপক্ষই উপযুক্ত খেলুৱৈ হিচাপে গঢ়ি তোলাটো অসম্ভৱ ।

মোৰ কাৰ্যকালত সকলো ফালৰ পৰা দিহা পৰামৰ্শ দি সহায় কৰা 'ছাত্ৰ জিৰণি কোঠা'ৰ তত্ত্বধায়ক অধ্যাপক মাননীয় শ্ৰীযুত নবীন চন্দ্ৰ মুদিয়াৰ ছাৰলৈ আৰু উপাধ্যক্ষ মাননীয় অধ্যাপক শ্ৰীযুত দ্বিজেন দাস ছাৰলৈ মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত বিগত কালছোৱাত অজানিতে কৰা নান ধৰণৰ ভুলৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰু, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত ক্ষমা বিচাৰি তথা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ।


ধন্যবাদেৰে

শ্ৰীশঙ্কৰ ৰাভা

সম্পাদক, ছাত্ৰ জিৰণি কোঠা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো ।

# সহকাৰী আলোচনী সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰথম কলমতে আই জন্মভূমিৰ বাবে জীৱন উছৰ্গা কৰা শ্বহীদ বীৰসকলক প্ৰণাম জনাইছোঁ আৰু ইয়াৰ লগতে যিসকল লোকে বহু ত্যাগৰ মাজেৰে বকোত জৱাহৰলাল নেহৰু মহাবিদ্যালয়খন গঢ়ি আমাক উচ্চ শিক্ষা গ্ৰহণৰ সুযোগ দিছে সেইসকল মহৎ ব্যক্তিলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়খনত প্ৰথম খোজ পেলোৱাৰ পৰাই এই বিশাল অনুষ্ঠানখনত সেৱা আগবঢ়োৱাৰ হেঁপাহ এটি মনত জাগি উঠিছিল। ২০০০-২০০১ ইং চনৰ ছাত্ৰ একতা সভাৰ সহকাৰী আলোচনী সম্পাদকৰ পদত নিৰ্বাচিত হৈ মহাবিদ্যালয়খনত সেৱা আগবঢ়োৱাৰ সুযোগকণ পালোঁ। এই সুযোগ দিয়াৰ বাবে ২০০০-২০০১ ইং চনৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণৰ পিছতেই 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। শিক্ষাৰ লগত সংগতি ৰাখি মহাবিদ্যালয় সপ্তাহত আলোচনী বিভাগৰ তৰফৰ পৰা প্ৰবন্ধ, গল্প, কবিতা, কাৰ্টুন, চিত্ৰাঙ্কণ আৰু চিত্ৰ প্ৰদৰ্শনী প্ৰতিযোগিতা আযোজন কৰা হয় আৰু সুবিবেচিত প্ৰতিযোগীসকলক এখনকৈ প্ৰমাণ পত্ৰৰ সৈতে পুৰস্কৃত কৰা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহত এখন 'প্ৰাচীৰ পত্ৰিকা' প্ৰকাশ কৰা হয়। আমাৰ কাৰ্যকালত নৱাগত আদৰণি সভাত এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। উন্মোচন কৰে ১ম আলোচনী সম্পাদক শ্ৰীযুত জ্ঞান শঙ্কৰ খাখলাৰীদেৱে। তেখেতলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাহিত্য অবিহনে জাতি এটাৰ কথা ভাবিবই নোৱাৰি। গতিকে সাহিত্যক জাতি এটাৰ মেৰুদণ্ড স্বৰূপ বুলি আভিহিত কৰিব পাৰি. সাহিত্যত জাতি এটাৰ ইতি হাস আৰু সংস্কৃতি নিহিত হৈ থাকে। সাহিত্যত লিখনিৰ মাজেৰে আমাৰ দেশত চলি থকা কু-কৰ্মবোৰৰ বিৰুদ্ধে জনমত গঢ়াতো সহায় কৰে। সেইদৰে মহাবিদ্যালয়ৰ 'মুখপত্ৰ'খনৰ পৰাই মহাবিদ্যালয়খনৰ বিষয়ে জানিব পাৰি। 'মুখপত্ৰ'খনতে জিলিকি থাকে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা সমূহ। সাধাৰণতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভালৈ লক্ষ্য ৰাখিয়ে 'মুখপত্ৰ' প্ৰকাশ কৰা হয়। আমাৰ মহাবিদ্যালয়ৰ নামৰ লগত মিল ৰাখি আৰু ছাত্ৰ-ছাত্ৰীসমূহৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যেৰে 'জৱাহৰ জ্যোতি' নামেৰে মুখপত্ৰখন প্ৰকাশ কৰা হৈ আছে।

কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয়ৰ আলোচনী জৱাহৰ জ্যোতি খন ছাত্ৰ-ছাত্ৰীৰ হাতত আমাৰ কাৰ্যকালতে দিম বুলি আশা কৰিছিলোঁ। কিন্তু বহু সমস্যাৰ বাবে প্ৰকাশত পলম হ'ল, তাৰ বাবে মই দুঃখিত। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা লিখনি সময় মতে নোপোৱা আৰু অৰ্থনৈতিক অভাৱেই আছিল আমাৰ প্ৰধান সমস্যা।


'জৱাহৰ জ্যোতি' খন প্ৰকাশ কৰি উলিওৱাত তত্ত্বৱধায়ক শিক্ষাগুৰু শ্ৰীযুত ললিত চন্দ্ৰ ৰাভা ছাৰে আগবঢ়োৱা সহায়-সহযোগিতাৰ কাৰণে মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। ইয়াৰ উপৰিও কাৰ্যকালত দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা শিক্ষাগুৰু শ্ৰীদ্বিজেন্দ্ৰ নাথ দাস আৰু শ্ৰীনবীন চন্দ্ৰ মুদিয়াৰ আৰু ইয়াৰ লগতে আমাৰ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিছোঁ।

মোৰ কাৰ্যকালত সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ আন কাৰ্যনিৰ্বাহক সদস্য সকল, প্ৰাচীৰ পত্ৰিকাত সহায় কৰা দেৱজিৎ বৰা, চাহিদা, মিণ্টু, দেৱজিৎ দাস, বৰুণ আৰু সঞ্জীৱ, ৰাতুল,, জয়ন্তদা আৰু চাইফুলদালৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ।

সদৌ শেষত আমাৰ মহবিদ্যালয়ৰ মুখপত্ৰখন সময় সাপেক্ষ আৰু উন্নত মানৰ হোৱাৰ কামনাৰে আৰু আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাৰ-বাইদেউ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু কৰ্মচাৰীসকললৈ ধন্যবাদ যাচি লগতে কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি ইমানতে কলম সামৰিছোঁ।

জয়তু জৱাহৰ জ্যোতি।
জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো।

ধন্যবাদেৰে —
মঃ মনিৰ উদ্দিন আহমেদ
সহঃ আলোচনী সম্পাদক
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো
২০০০-২০০১



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰু বৃন্দ আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধ আগবঢ়াইছোঁ । লগতে যিসকল বন্ধু-বান্ধৱী তথা দাদা-বাইদেউৰে ২০০০-২০০১ বৰ্ষৰ ছাত্ৰ একতা সভালৈ মোক নিৰ্বাচিত কৰি এই দায়িত্ব বহন কৰাৰ বাবে সুবিধাকণ দিলে সেই সকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

সমাজ সেৱা মানেই হ'ল দেশ সেৱা । আমাৰ সকলৰে নিজৰ নিজৰ চুবুৰি বা অঞ্চলটোৰ প্ৰতি দায়বদ্ধতা আছে । এই দায়িত্ব পালন কৰিবলৈ সমাজৰ লোকসকলে যদি একেলগে আগবাঢ়ি আহে, তেতিয়া দেশৰ যে উন্নতি হ'ব তাত কোনো সন্দেহ নাই । সমাজ সেৱাৰ মাজেৰে বিভিন্ন জাতিৰ মাজত মিলাপ্ৰীতি স্থাপন কৰিব পাৰি । সমাজ সেৱাৰ বিষয়ে সৰুৰ পৰা মাক-দেউতাকে ল'ৰা-ছোৱালীক জ্ঞান দিব লাগে । বিদ্যালয় তথা মহাবিদ্যালয় সমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে এনে অভ্যাস গঢ়ি তুলিব পাৰে।

আন আন বছৰৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰাৰ বাবে এখন প্ৰতিযোগিতাৰ আয়োজন কৰা হয় । প্ৰতিযোগিতাত শ্ৰেষ্ঠতা দেখুৱাবলৈ সমৰ্থ হোৱা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয় ।

সমাজ সেৱা বিভাগৰ গুৰু দায়িত্ব পালন কৰাত মোক সকলো দিশৰ পৰা দিহা পৰামৰ্শ আদি দি উপকৃত কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ৰমা কান্ত বৰুৱা, অধ্যাপক শ্ৰীনবীন চন্দ্ৰ মুদিয়াৰ আৰু শ্ৰীদ্বিজেন দাস দেৱলৈ মোৰ কৃতজ্ঞতা জনাইছোঁ । সমাজ সেৱা বিভাগৰ তত্ত্বৱধায়ক মাননীয় শ্ৰীযুত সুশান্ত ভূঞা দেৱকো মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ । মোৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্তত সহায় সহযোগিতা আগবঢ়োৱা বন্ধু ৰাজীৱ, বলেন, পুলেন, বৰুণ, মদন, নব, চাইফুল, বশিষ্ঠদা আৰু বান্ধৱী ক্ৰমে চন্দনা, বনিতা, জুনু, চন্দনা, গীতা, ৰীতা, অৰ্চনা, অলকা, শেৱালি আৰু কৰবীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু মৰম যাচিছোঁ ।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি আৰু অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱী, দাদা - বাইদেউলৈ মোৰ হিয়া ভৰা মৰম যাচি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ।

জয়তু ভাৰত মাতা ।

ধন্যবাদেৰে -

শ্ৰীগোপাল কলিতা

সম্পাদক, সমাজ সেৱা বিভাগ

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ২০০০-২০০১ চনৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদকৰ পদত মোক নিৰ্বাচন কৰি মহান শিক্ষানুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

শিক্ষা হ'ল মানৱ জীৱনৰ প্ৰতিভা বিকাশৰ মূল উৎস । সেই কাৰণে বৰ্তমান সমাজত সুপ্ৰতিষ্ঠিত নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ বা ভৱিষ্যত জীৱনটো উজ্জ্বল কৰিবলৈ হ'লে কলেজীয়া জীৱনৰ সুযোগ-সুবিধাবোৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ভোগ কৰিবই লাগিব । ইয়াৰ বাবে নিজকে সাজু কৰিব লাগিব প্ৰতিযোগিতাৰ বাবে। বৰ্তমানৰ এই যুগটোৱেই হ'ল প্ৰতিযোগিতাৰ যুগ । তৰ্ক, কুইজ, আবৃত্তি, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতাৰ একো একোটা দৰকাৰী অংগ আৰু তাত অংশ গ্ৰহণ কৰাটো ছাত্ৰ-ছাত্ৰীসকলৰ অতিকৈ'ই আৱশ্যক । এইবোৰত অংশ গ্ৰহণৰ দ্বাৰা পাঠ্য-পুথিৰ উপৰিও বহুতো বাহিৰা জ্ঞান লাভ কৰিব পাৰি । গতিকে ছাত্ৰ-ছাত্ৰীসকলে উক্ত বিষয়বোৰত যোগদানৰ যোগেদি যৎকিঞ্চিত হ'লেও নিজৰ বাহিৰা জ্ঞান বৃদ্ধি কৰাৰ লগতে বৌদ্ধিক বিকাশো সাধন কৰিবলৈ চেষ্টা কৰা উচিত । কিন্তু দুখৰ বিষয় যোৱা বছৰটোত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অনুপাতে উক্ত প্ৰতিযোগিতাবোৰত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা তেনেই ক'ম সংখ্যক আছিল । ইয়াৰ মূলতে হ'ল বৰ্তমান আমাৰ দেশৰ আসোঁৱাহপূৰ্ণ শিক্ষা পদ্ধতিয়ে তথা পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দিশত অংশ গ্ৰহণ কৰিবলৈ অসমৰ্থ কৰিছে। হেচাই ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দিশত অংশগ্ৰহণ কৰিবলৈ অসমৰ্থ কৰিছে। কিন্তু আমি এনে শিক্ষাকে গ্ৰহণ কৰি আগুৱাই যাব লাগিব আৰু লগতে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি যাব লাগিব । মই এই প্ৰতিবেদনৰ যোগেদি আমাৰ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে অনুৰোধ জনাওঁ - অনাগত দিনৰ সম্পাদক বা সম্পাদিকা আৰু লগতে ছাত্ৰ-ছাত্ৰীসকলে যেন তৰ্ক, কুইজ, আবৃত্তি, আকস্মিক বক্তৃতা আদি বিষয়বোৰ অতি গুৰুত্ব সহকাৰে বিবেচনা কৰে আৰু এইবোৰত অংশ গ্ৰহণ কৰে ।

কাৰ্য ভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আমাৰ মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ" বৰ উলহ-মালহৰে অনুষ্ঠিত হয় । মহাবিদ্যালয় সপ্তাহত তৰ্ক, কুইজ, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি (হিন্দী, ইংৰাজী আৰু অসমীয়া), মুকলি বক্তৃতা আদিৰ প্ৰতিযোগিতা পতা হয় । তৰ্ক আৰু কুইজ প্ৰতিযোগিতাৰ বাহিৰে বাকী কেইটা প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল । প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰা সকলো প্ৰতিযোগীকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

তৰ্ক বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ছোৱাত অসমৰ বহু কেইখন মহাবিদ্যালয়ৰ পৰা আন্তঃমহাবিদ্যালয় তৰ্ক আৰু কুইজ প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে আমন্ত্ৰণী পত্ৰ পাইছিলো । কিন্তু কলেজৰ আৰ্থিক অৱস্থা আৰু প্ৰতিযোগীৰ অভাৱত আমি এই প্ৰতিযোগিতাবোৰত অংশ গ্ৰহণ কৰিব পৰা নাছিলো । তথাপি ছয়গাওঁ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা "দক্ষিণ কামৰূপ আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতা"ত আমাৰ মহাবিদ্যালয়ৰ পৰা যোগদান কৰা হয় । কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীকুলদীপ বায়ন আৰু শ্ৰীদেৱজিৎ বৰাই যুটীয়াভাৱে প্ৰথম পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনে। এই প্ৰতিবেদনৰ যোগেদি মই তেওঁলোকক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ ।

মোৰ কাৰ্যকালত আলোচনা চক্ৰ আৰু অইন কোনো তেনেকুৱা বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰিব নোৱাৰৰ বাবে মই দুঃখিত। আশা ৰাখিলোঁ পৰবৰ্তী সম্পাদকসকলে এই বিষয়ত সচেতন হ'ব।


কাৰ্য পৰিচালনা কৰাত দিহা পৰামৰ্শ আদি দি উপকৃত কৰা কাৰণে তৰ্ক আৰু আলোচনা চক্ৰৰ তত্বাৱধায়ক অধ্যাপক উমেশ চন্দ্ৰ কৰদেৱলৈ তথা মাননীয় শ্ৰীযুত দ্বিজেন দাস চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । ইয়াৰ উপৰিও ছাত্ৰ বন্ধু ছাইফুল, নিবাৰণ, প্ৰাণজিৎ, ধনঞ্জয়, দধীমোহন বশিষ্ঠ দালৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ ।

সদৌ শেষত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই আৰু মোৰ কাৰ্যকালত হোৱা অজানিত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"

ধন্যবাদেৰে
শ্ৰীজিতু ডেকা
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে দেশ মাতৃৰ বেদীত প্ৰাণাহুতি দিয়া বীৰ-বীৰাঙ্গণা সকললৈ মোৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ ।

প্ৰতিবেদনৰ আৰম্ভণিতে ২০০০-২০০১ ইং চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোৰ ওপৰত আস্থা ৰাখি 'ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰূপে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'ছাত্ৰ জিৰণি কোঠা' বিভাগৰ সম্পাদক হিচাপে মই কাৰ্যভাৰ লোৱাৰ পিছৰ পৰাই মহাবিদ্যালয়ৰ ছাত্ৰৰ কমন ৰুমৰ খেল সামগ্ৰীসমূহৰ অভাৱ অভিযোগসমূহ দূৰ কৰাৰ কাৰণে যথা সাধ্য চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। অৱশ্যে এই ক্ষেত্ৰত কিমান দূৰ সফল হলোঁ সেইটো বিচাৰৰ ভাৰ ছাত্ৰ বন্ধুসকলৰ ওচৰত ।

মই কাৰ্য ভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয় । 'ছাত্ৰ জিৰণি কোঠা'ৰ ফালৰ পৰা কেৰম, বেডমিন্টন আদিৰ প্ৰতিযোগিতা পতা হয় । খেল সমূহ সু-সম্পন্নকৈ চলাই নিয়াত মোক সহায় কৰা সাঙ্গীতদা, হৃদয়প্ৰতীয়দা, চৈতন্যদা, একালব্যদা, চাইফুলদা, লোকপ্ৰিয়দা, পঙ্কজদা, ছোমনদা, লগতে বিজয়, জয়ন্ত, উমেশ, বংশীধৰ, বিচিত্ৰ, সদা— বান্ধৱী চন্দনা, ৰুনীয়া, মাকন, মীনা কুমাৰী লৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

খেল-ধেমালি হ'ল শিক্ষাৰ এক অবিচ্ছেদ্য অংগ । বৰ্তমান বিশ্বৰ বিভিন্ন দেশৰ দৰে আমাৰ দেশতো খেলা-ধূলাত উৎকৰ্ষ সাধনৰ বাবে চৰকাৰে নানা ব্যৱস্থা হাতত লৈছে আৰু খেলুৱৈ সকলৰ উন্নতি তথা দেশৰ সু-নামৰ কাৰণে চৰকাৰে প্ৰতি বছৰে কোটি কোটি টকা ব্যয় কৰি আহিছে । স্কুল আৰু মহাবিদ্যালয়বোৰৰ মাধ্যমেৰেও খেলা-ধূলাৰ প্ৰতি আকৰ্ষণ গঢ়ি তুলিব পাৰি আৰু এচাম উৎকৃষ্ট খেলুৱৈ গঢ়ি তুলিব পাৰি । তাৰ বাবে চৰকাৰেও অৰ্থৰ বৃহৎ পুঁজি স্কুল আৰু মহাবিদ্যালয়সমূহলৈ আগবঢ়াব লাগিব । চৰকাৰী সাহায্য অবিহনে ছাত্ৰ - ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুলেৰে খেলৰ সামগ্ৰী কিনি খেলৰ অনুশীলন কৰাই ছাত্ৰ-ছাত্ৰীসকলক স্কুল বা মহাবিদ্যালয় কৰ্তৃপক্ষই উপযুক্ত খেলুৱৈ হিচাপে গঢ়ি তোলাটো অসম্ভৱ ।

মোৰ কাৰ্যকালত সকলো ফালৰ পৰা দিহা পৰামৰ্শ দি সহায় কৰা 'ছাত্ৰ জিৰণি কোঠা'ৰ তত্ত্বৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত নবীন চন্দ্ৰ মুদিয়াৰ ছাৰলৈ আৰু উপাধ্যক্ষ মাননীয় অধ্যাপক শ্ৰীযুত দ্বিজেন দাস ছাৰলৈ মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত বিগত কালছোৱাত অজানিতে কৰা নান ধৰণৰ ভুলৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰু, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত ক্ষমা বিচাৰি তথা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ।
ধন্যবাদেৰে
শ্ৰীশঙ্কৰ ৰাভা
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো ।



# সহকাৰী আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰথম কলমতে আই জন্মভূমিৰ বাবে জীৱন উছৰ্গা কৰা শ্বহীদ বীৰসকলক প্ৰণাম জনাইছোঁ আৰু ইয়াৰ লগতে যিসকল লোকে বহু ত্যাগৰ মাজেৰে বকোত জৱাহৰলাল নেহৰু মহাবিদ্যালয়খন গঢ়ি আমাক উচ্চ শিক্ষা গ্ৰহণৰ সুযোগ দিছে সেইসকল মহৎ ব্যক্তিলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

মহাবিদ্যালয়খনত প্ৰথম খোজ পেলোৱাৰ পৰাই এই বিশাল অনুষ্ঠানখনত সেৱা আগবঢ়োৱাৰ হেঁপাহ এটি মনত জাগি উঠিছিল । ২০০০-২০০১ ইং চনৰ ছাত্ৰ একতা সভাৰ সহকাৰী আলোচনী সম্পাদকৰ পদত নিৰ্বাচিত হৈ মহাবিদ্যালয়খনত সেৱা আগবঢ়োৱাৰ সুযোগকণ পালোঁ। এই সুযোগ দিয়াৰ বাবে ২০০০-২০০১ ইং চনৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

কাৰ্যভাৰ গ্ৰহণৰ পিছতেই 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয় । শিক্ষাৰ লগত সংগতি ৰাখি মহাবিদ্যালয় সপ্তাহত আলোচনী বিভাগৰ তৰফৰ পৰা প্ৰবন্ধ, গল্প, কবিতা, কাৰ্টুন, চিত্ৰাঙ্কণ আৰু চিত্ৰ প্ৰদৰ্শনী প্ৰতিযোগিতা আয়োজন কৰা হয় আৰু সুবিবেচিত প্ৰতিযোগীসকলক এখনকৈ প্ৰমাণ পত্ৰৰ সৈতে পুৰস্কৃত কৰা হয় ।ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহত এখন 'প্ৰাচীৰ পত্ৰিকা' প্ৰকাশ কৰা হয় । আমাৰ কাৰ্যকালত নৱাগত আদৰণি সভাত এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয় ।উন্মোচন কৰে ১ম আলোচনী সম্পাদক শ্ৰীযুত জ্ঞান শঙ্কৰ খাখলাৰীদেৱে । তেখেতলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

সাহিত্য অবিহনে জাতি এটাৰ কথা ভাবিবই নোৱাৰি ।গতিকে সাহিত্যক জাতি এটাৰ মেৰুদণ্ড স্বৰূপ বুলি আভিহিত কৰিব পাৰি. সাহিত্যত সাহিত্যত লিখনিৰ জাতি এটাৰ ইতিহাস আৰু সংস্কৃতি নিহিত হৈ থাকে ।সাহিত্যত লিখনিৰ মাজেৰে আমাৰ দেশত চলি থকা কু-কৰ্মবোৰৰ বিৰুদ্ধে জনমত গঢ়াতো সহায় কৰে ।সেইদৰে মহাবিদ্যালয়ৰ 'মুখপত্ৰ'খনৰ পৰাই মহাবিদ্যালয়খনৰ বিষয়ে জানিব পাৰি । 'মুখপত্ৰ'খনতে জিলিকি থাকে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা সমূহ ।সাধাৰণতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভালৈ লক্ষ্য ৰাখিয়ে 'মুখপত্ৰ' প্ৰকাশ কৰা হয় ।আমাৰ মহাবিদ্যালয়ৰ নামৰ লগত মিল ৰাখি আৰু ছাত্ৰ-ছাত্ৰীসমূহৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যেৰে 'জৱাহৰ জ্যোতি' নামেৰে মুখপত্ৰখন প্ৰকাশ কৰা হৈ আছে ।

কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয়ৰ আলোচনী জৱাহৰ জ্যোতি খন ছাত্ৰ-ছাত্ৰীৰ হাতত আমাৰ কাৰ্যকালতে দিম বুলি আশা কৰিছিলোঁ । কিন্তু বহু সমস্যাৰ বাবে প্ৰকাশত পলম হ'ল, তাৰ বাবে মই দুঃখিত । আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা লিখনি সময় মতে নোপোৱা আৰু অৰ্থনৈতিক অভাৱেই আছিল আমাৰ প্ৰধান সমস্যা ।

'জৱাহৰ জ্যোতি' খন প্ৰকাশ কৰি উলিওৱাত তত্বৱধায়ক শিক্ষাগুৰু শ্ৰীযুত ললিত চন্দ্ৰ ৰাভা ছাৰে আগবঢ়োৱা সহায়-সহযোগিতাৰ কাৰণে মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ ।ইয়াৰ উপৰিও কাৰ্যকালত দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা শিক্ষাগুৰু শ্ৰীদ্বিজেন্দ্ৰ নাথ দাস আৰু শ্ৰীনবীন চন্দ্ৰ মুদিয়াৰ আৰু ইয়াৰ লগতে আমাৰ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিছোঁ ।


মোৰ কাৰ্যকালত সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ আন কাৰ্যনিৰ্বাহক সদস্য সকল, প্ৰাচীৰ পত্ৰিকাত সহায় কৰা দেৱজিৎ বৰা, চাহিদা, মিণ্টু, দেৱজিৎ দাস, বৰুণ আৰু সঞ্জীৱ, ৰাতুল,, জয়ন্তদা আৰু চাইযুলদালৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ ।

সদৌ শেষত আমাৰ মহবিদ্যালয়ৰ মুখপত্ৰখন সময় সাপেক্ষ আৰু উন্নত মানৰ হোৱাৰ কামনাৰে আৰু আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাৰ - বাইদেউ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু কৰ্মচাৰীসকললৈ ধন্যবাদ যাচি লগতে কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি ইমানতে কলম সামৰিছোঁ ।

জয়তু জৱাহৰ জ্যোতি ।
জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো ।

ধন্যবাদেৰে —
মঃ মনিৰ উদ্দিন আহমেদ
সহঃ আলোচনী সম্পাদক
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো
২০০০-২০০১

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰু বৃন্দ আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা আগবঢ়াইছোঁ । লগতে যিসকল বন্ধু-বান্ধৱী তথা দাদা-বাইদেউৱে ২০০০-২০০১ বৰ্ষৰ ছাত্ৰ একতা সভালৈ মোক নিৰ্বাচিত কৰি এই দায়িত্ব বহন কৰাৰ বাবে সুবিধাকণ দিলে সেই সকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

সমাজ সেৱা মানেই হ'ল দেশ সেৱা । আমাৰ সকলৰে নিজৰ নিজৰ চুবুৰি বা অঞ্চলটোৰ প্ৰতি দায়বদ্ধতা আছে । এই দায়িত্ব পালন কৰিবলৈ সমাজৰ লোকসকলে যদি একেলগে আগবাঢ়ি আহে, তেতিয়া দেশৰ যে উন্নতি হ'ব তাত কোনো সন্দেহ নাই । সমাজ সেৱাৰ মাজেৰে বিভিন্ন জাতিৰ মাজত মিলাপ্ৰীতি স্থাপন কৰিব পাৰি । সমাজ সেৱাৰ বিষয়ে সৰুৰ পৰা মাক-দেউতাকে ল'ৰা-ছোৱালীক জ্ঞান দিব লাগে । বিদ্যালয় তথা মহাবিদ্যালয় সমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে এনে অভ্যাস গঢ়ি তুলিব পাৰে।

আন আন বছৰৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰাৰ বাবে এখন প্ৰতিযোগিতাৰ আয়োজন কৰা হয় । প্ৰতিযোগিতাত শ্ৰেষ্ঠতা দেখুৱাবলৈ সমৰ্থ হোৱা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয় ।

সমাজ সেৱা বিভাগৰ গুৰু দায়িত্ব পালন কৰাত মোক সকলো দিশৰ পৰা দিহা পৰামৰ্শ আদি দি উপকৃত কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ৰমা কান্ত বৰুৱা, অধ্যাপক শ্ৰীনবীন চন্দ্ৰ মুদিয়াৰ আৰু শ্ৰীদ্বিজেন দাস দেৱলৈ মোৰ কৃতজ্ঞতা জনাইছোঁ। সমাজ সেৱা বিভাগৰ তত্ত্বৱধায়ক মাননীয় শ্ৰীযুত সুশান্ত ভূঞা দেৱকো মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ । মোৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্তত সহায় সহযোগিতা আগবঢ়োৱা বন্ধু ৰাজীৱ, বলেন, পুলেন, বৰুণ, মদন, নব, চাইফুল, বশিষ্ঠদা আৰু বান্ধৱী ক্ৰমে চন্দনা, বনিতা, জুনু, চন্দনা, গীতা, ৰীতা, অৰ্চনা, অলকা, শেৱালি আৰু কৰবীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু মৰম যাচিছোঁ ।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনা কৰি আৰু অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱী, দাদা - বাইদেউলৈ মোৰ হিয়া ভৰা মৰম যাচি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ।

জয়তু ভাৰত মাতা ।


ধন্যবাদেৰে -

শ্ৰীগোপাল কলিতা

সম্পাদক, সমাজ সেৱা বিভাগ

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে অধ্যক্ষ মহোদয় আৰু মাননীয় শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ । লগতে যি সকল বন্ধু-বান্ধৱী তথা দাদা- বাইদেউৱে ২০০০-২০০১ বৰ্ষৰ ছাত্ৰ একতা সভালৈ মোক নিৰ্বাচিত কৰি এই গুৰু দায়িত্ব বহন কৰাৰ বাবে সুবিধাকশ দিলে সেই সকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

সংস্কৃতি হ'ল এটা জাতিৰ প্ৰাণ ।এই সংস্কৃতি প্ৰতিজন মানুহে জীয়াই ৰখাৰ চেষ্টা কৰাটো অতি আৱশ্যক ।কাৰণ এই কলা - সংস্কৃতি অবিহনে কোনো এখন দেশ বা কোনো এটা জাতি সুকীয় ৰূপ লৈ জীয়াই থাকিব নোৱাৰে ।এই কলা সংস্কৃতিৰ জৰিয়তে এখন দেশ বা এটা জাতি কিমান উন্নত তাক বুজিব পাৰি। সেয়েহে প্ৰত্যেক জন ব্যক্তিয়ে নিজা-নিজা কলা-সংস্কৃতিৰ ৰক্ষণা-বেক্ষণ দিয়াৰ লগতে বিকাশত সচেতন হোৱা আৱশ্যক ।

আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতে আমাৰ বছৰেকীয়া মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় ।সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা বিভিন্ন গীত-মাত, নৃত্য আদিৰ প্ৰতিযোগিতাও এই মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত কৰা হয় । প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা সৰহ সংখ্যক নাছিল ।অৱশ্যে কিছু সংখ্যকে ইয়াত অংশ গ্ৰহণ কৰি ইয়াৰ সৌন্দৰ্য বৃদ্ধি কৰে । আমাৰ বিদ্যালয়ৰ ছাত্ৰী বুলুমণি ৰাভাই গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃযুৱ মহোৎসৱত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয় ।

সাংস্কৃতিক বিভাগৰ দায়িত্ব পালন কৰিবলৈ যাওঁতে মই বহুতো অভাৱৰ সন্মুখীন হব লগা হওঁ ।কাৰণ মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীয়ে বিচৰা মতে বাদ্যযন্ত্ৰ নাছিল । তদুপৰি থকা বাদ্যযন্ত্ৰবিলাকো ব্যৱহাৰোপযোগী নহয় । তদুপৰি এইবোৰৰ সংৰক্ষণৰ উপযুক্ত ব্যৱস্থা নাই ।আশা কৰোঁ পৰৱৰ্তী সম্পাদকসকলে এই বিষয়ত মনোযোগ দিব।

মোৰ কাৰ্যকালত বিভাগীয় কাম-কাজত সকলো ফালৰ পৰা দিহা পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে ছত্ৰ একতা সভাৰ সভাপতি অধ্যক্ষ মাননীয় শ্ৰীযুত ৰমাকান্ত বৰুৱাদেৱ আৰু সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক মাননীয় শ্ৰীযুত কমলেশ্বৰ ঠাকুৰীয়াদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ । লগতে মোৰ কাম কাজত সহায় কৰা ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ তথা বন্ধু-বান্ধৱী আৰু দাদা বাইদেউসকললৈ মোৰ অফুৰন্ত ভালপোৱা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এক বছৰীয়া কাৰ্যকালত মই কিমান সফল হৈছোঁ তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰীসকলৰ হাতত ।সদৌ শেষত মোৰ জ্ঞাত বা অজ্ঞাত অৱস্থাত ভুল-ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ সকলৰে ওচৰত ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ।

জয় আই অসম।

ইতি ।

মঃ মোবাৰক আলী

সম্পাদক, সাংস্কৃতিক বিভাগ

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দি আইৰ বেদিত কেচা তেজেৰে বন্তি জ্বলাই ইতিহাসৰ বুকুত সোণালী অধ্যায়ৰ সূচনা কৰা মহান বীৰ শ্বহীদসকললৈ মোৰ হিয়া ভৰা শ্ৰদ্ধাঞ্জলি যাচিছোঁ । লগতে যিসকল মহান ব্যক্তিয়ে বকোৰ এই অঞ্চলত সৎ নিষ্ঠাৰে এক ডাঙৰ উদ্দেশ্য আগত ৰাখি আমাক শিক্ষা দিয়াৰ প্ৰচেষ্টাৰে "জৱাহৰলাল নেহৰু মহাবিদ্যালয়"নামৰ এই বৃহৎ শিক্ষানুষ্ঠানটোৰ জন্ম দিলে, সেই সকল প্ৰতিভাশালী তথা শিক্ষানুৰাগী ব্যক্তিৰ ওচৰত মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ ।

সম্পাদকীয় প্ৰতিবেদনৰ বাট চ'ৰাতে ২০০০-২০০১ চনৰ বাবে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ নিৰ্বাচনী সভাত মোক ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে কিছু কাম কৰিবলৈ সুবিধাকণ দিয়াৰ বাবে আমাৰ শিক্ষানুষ্ঠানৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা-ধন্যবাদ জ্ঞাপন কৰিলোঁ । জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দৰে বৃহৎ শিক্ষানুষ্ঠানৰ এই বিভাগৰ সেৱা কৰাৰ সুবিধাকণ দিয়াটো মোৰ কাৰণে পৰম সৌভাগ্য। কিন্তু সেই সৌভাগ্যক কিমান নিষ্ঠাৰে কৰ্মৰূপ দিব পাৰিছোঁ তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ ওচৰত ।

উক্ত বিভাগটিৰ কাৰ্যভাৰ গ্ৰহণৰ পিছতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মৌলিক প্ৰতিভা বিকাশৰ সাক্ষ্য বহনকাৰী এক মাত্ৰ পৰ্ব "মহাবিদ্যালয় সপ্তাহ" এই বেলিও পালন কৰা হয় । "মহাবিদ্যালয় সপ্তাহ" পালনৰ সময়ত ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আমাৰ দায়িত্ব পালনত যে সহযোগিতা পাইছিলোঁ তাক স্বীকাৰ কৰিবই লাগিব । সেয়ে বহু আশা বুকুত বান্ধি কিছুমান কাম কৰিম বুলি ছাত্ৰ একতা সভাৰ দৰে মহান অনুষ্ঠানত সোমাই পৰিছিলোঁ । মনত যিমান হেঁপাহ কৰিছিলোঁ সেইখিনি বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলোঁ । তাৰ বাবে মই সমূহ বন্ধু-বান্ধৱীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ । মানুহৰ অভাৱ অন্তহীন বুলি প্ৰত্যেক ব্যক্তিয়ে জানে আৰু মানুহ মাত্ৰেই ভুল কৰে । সেয়েহে এই কালছোৱাত মই যদি জানি বা নাজানি কিবা ভুল কৰিছোঁ তাৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ । কিন্তু এইটোও জনাব খুজিছোঁ মোৰ কাৰ্যকালত সীমিত সুবিধাৰ মাজত পৰিকল্পনা কৰা সকলো কাম সমাধা কৰিব পৰা নহল যদিও জিৰণি কোঠাৰ প্ৰয়োজনীয় সামগ্ৰী সমূহৰ নিয়মীয়া ভাৱে যোগান ধৰাৰ চেষ্টা কৰা হৈছিল । কিন্তু পৰিতাপৰ বিষয় যে সেই কেইদিন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তেনেই সেৰেঙা আছিল । যাৰ ফলত কিছুমান প্ৰতিযোগিতা পাতিব পৰা নহ'ল ।

বিগত বছৰবোৰৰ দৰে এইবেলিও "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে ছাত্ৰী জিৰণি কোঠাৰ ছাত্ৰীসকলৰ বাবে পুষ্পসজ্জা, পিঠাসজা, চিলাই, কেৰম, ৰিং, বেডমিন্টন,ডবা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছিল । ছাত্ৰীসকলেও অতি উৎসাহ জনকভাৱে অংশ গ্ৰহণ কৰি এই প্ৰতিযোগিতা সমূহ জীৱন্ত কৰি তুলিছিল । মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহত বিচাৰ কৰি দিয়াৰ বাবে আৰু অইন বছৰটোৰ দৰে সকলো ফালৰ পৰা সহায় আগবঢ়োৱাৰ বাবে মোৰ কাৰ্যকালৰ সময় ছোৱাত বিভাগীয় তত্বাৱধায়িকা শ্ৰীমতী জয়শ্ৰী ভূঞা বাইদেউৰ পৰা উপদেশ আৰু প্ৰেৰণা পাইছো । তাৰ বাবে তেখেতৰ লগতে মোক সু-পৰামৰ্শৰে দিহা দিয়া মাননীয় শিক্ষাগুৰুসকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই যাচিছোঁ ।

ছাত্ৰী জিৰণি কোঠাৰ দায়িত্ব লোৱাৰ সময়ত এই বিভাগটোৰ সকলো দায়িত্ব সুচাৰুৰূপে পালন কৰি ইয়াৰ সকলো অভিযোগ নিঃশেষ কৰি ইয়াক এক নতুন ৰূপত সজাম বুলি ভাৱিছিলোঁ । কিন্তু, ইয়াৰ ডাঙৰ সমস্যা হ'ল এবছৰীয়া কাৰ্যকাল বৰ দীঘলীয়া সময় নহয় । অন্ততঃ ইয়াৰ সকলো খুটি-নাটি ৰিছাৰি উলিয়াই সেইমতে কামত হাত দিওঁতে অলপ বেছি সময়ৰ দৰ্কাৰ হয় । সেই কাৰণে গতানুগতিক ৰূপতে দায়িত্ব পালন কৰি যোৱা হয় । মোৰ কাৰ্যকালৰ সময়ত ছাত্ৰী জিৰণি কোঠাৰ কিছুমান সমস্যা সমাধান কৰিবলৈ সমৰ্থবান হওঁ যদিও বৰ্তমান কেইবাটাও সমস্যা সমস্যা হৈয়েই আছে । এটা সৰ্বাঙ্গ সুন্দৰ ছাত্ৰী জিৰণি কোঠা হ'বলৈ এটা সুস্থ পৰিবেশ আৰু বাতাবৰণৰ প্ৰয়োজন আৰু ইয়াক গঢ়ি তোলাই মোৰ মুখ্য কৰ্তব্য আৰু দায়িত্ব আছিল যদিও মাত্ৰ এবছৰীয়া কাৰ্যকালত ইয়াক সম্পূৰ্ণ কৰা সম্ভৱ নহয় ।

গতিকে কৰ্তৃপক্ষৰ ওচৰত টানি অনুৰোধ জনাওঁ যাতে বৰ্তমানৰ ছাত্ৰী জিৰণি কোঠাৰ সমস্যাসমূহ অতি সোনকালে সমাধান কৰি এই শিক্ষানুষ্ঠানলৈ শিক্ষা অৰ্জনৰ উদ্দেশ্যে আগবাঢ়ি অহা ছাত্ৰীসকলৰ বিভিন্ন দিশৰ জ্ঞান আহৰণৰ পথ প্ৰশস্ত কৰি তোলে ।

প্ৰতিবেদনৰ সামৰণিত সকলো দিশতে সহায় সহযোগিতা, সু-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মোৰ দাদা কাচিমুদ্দিন আহমেদ (চুৰোজদা), নুৰদা, খ্ৰীৰাজদা, হেমন্তদা, দীপকদা, বশিষ্ঠদা, মোৰ সহপাঠী মকবুল, ছাইফুল, লীচা, লাটুমণি, জোনালী, ৰত্না, অদিতি, ভাইটি অনুপম, বিজয় আদিৰ লগতে ছাত্ৰ একতা সভাৰ সদস্যসকলৰ ওচৰত মই কৃতজ্ঞ ।

শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা দোষত্ৰুটিৰ কাৰণে মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ সকলো বিষয়ববীয়ালৈকে আন্তৰিক প্ৰীতি, ভক্তি আৰু শ্ৰদ্ধা জনাই মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ ।

জয়তু জৱাহৰ জ্যোতি ।
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো ।

মিছ চাহিদা বেগম
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
২০০০-২০০১ ইং চন।